অধ্যায় ৫ : বাণীকান্ত কাকতি : অংকীয়া ভাওনা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ বাণীকান্ত কাকতি: অংকীয়া ভাওনা– মূল পাঠ

৫.৩.১ প্ৰবন্ধটোৰ সাধাৰণ আলোচনা

৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৫ অগ্ৰগতিৰ খতিয়ান

৫.৬ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাণীকান্ত কাকতৰি ''অংকীয়া ভাওনা'' নামৰ প্ৰবন্ধটোৰ মূল বিষয়বস্তুৰ লগত পৰিচিতি হ'ব।
- ইয়াত আপুনি অংকীয়া ভাওনাৰ উ□পত্তি, স্বৰূপ আৰু বৈশিষ্ট্য ব্যাখ্যা লাভ কৰিব। লগতে গীত, নাট্য আৰু চিত্ৰকলাৰ মাজত ভাওনাৰ বিশেষ স্থান নিৰূপণ কৰা হ'ব। অংকীয়া ভাওনাৰ জৰিয়তে সমাজত আধ্যাত্মিক চেতনা আৰু নৈতিক শিক্ষা প্ৰচাৰৰ সম্পৰ্কে জানিব পাৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি বাণীকান্ত কাকতৰি জীৱন আৰু কৃতি সম্পৰ্কে অধ্যয়ন কৰিলে। লগতে সাহিত্য সমালোচক হিচাপে বাণীকান্ত কাকতৰি বিষয়ে জানিব পাৰিলে। এই অধ্যায়টোত বাণীকান্ত কাকতৰি এটি উল্লেখযোগ্য প্ৰবন্ধ ''অংকীয়া ভাওনা''ৰ মূল বিষয়বস্তু আৰু ইয়াৰ সাধাৰণ আলোচনা লাভ কৰিব। ইয়াত তেওঁ অসমীয়া বৈষ্ণৱ সাহিত্যত অংকীয়া ভাওনাৰ স্থান আৰু গুৰুত্ব বিশ্লেষণ কৰিছে। শংকৰদেৱে ভাওনাক ধৰ্মীয় আৰু আধ্যাত্মিক ভাব প্ৰচাৰৰ শক্তিশালী মাধ্যম হিচাপে গঢ়ি তোলাৰ কথা প্ৰবন্ধটোত বৰ্ণনা কৰা হৈছে। লগতে কাকতিয়ে সূত্ৰধাৰৰ বিশেষ ভূমিকা আৰু অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ সুন্দৰভাৱে ব্যাখ্যা কৰিছে। এই প্ৰবন্ধটোৱে অসমীয়া নাট্যসাহিত্যৰ ঐতিহ্য আৰু বৈষ্ণৱ সংস্কৃতৰি তা□পৰ্য স্পষ্টভাৱে প্ৰকাশ কৰিছে।

পৰৱৰ্তী অধ্যায়ত আপোনালোকে লীলা গগৈৰ জীৱন আৰু কৃতি তথা প্ৰবন্ধকাৰ হিচাপে তেওঁৰ কৃতিত্বৰ বিষয়ে আলোচনা লাভ কৰিব।

৫.৩ বাণীকান্ত কাকতি: অংকীয়া ভাওনা – মূল পাঠ

পুৰণি অসমীয়া সাহিত্যত অঙ্কীয়া নাটবোৰৰ ঠাই মন কৰিলগীয়া। অসমীয়া বৈষ্ণৱ সাহিত্যিক যদি আমি এটি স্বভাৱ-সম্পূৰ্ণ পদাৰ্থ বুলি ধৰি লওঁ, তেনেহ'লে ভাওনা-সাহিত্যিক তাৰপৰা বাদ দিলে সি এটি বিকালঙ্গ পদাৰ্থৰ দৰে হ'ব। বলেগে বলেগে বিভাগৰ বৈষ্ণৱ সাহিত্যবোৰ চকুৰ আগত একলেগে ৰাখি পৰ্যবেক্ষণ কৰি চালে এনেহে লাগে যে, মহানুভৱ অসমীয়া ভক্ত-কবসিকলে সেই আটাইবোৰৰ ভিতৰেদি এটি মনমোহা বস্তু প্ৰচাৰ কৰিছিল – শ্ৰীকৃষ্ণৰ ঐশ্বৰকি চৰিত আৰু পুৰুষত্ব। পুৰণি বৈষ্ণৱ কাব্যবোৰতো শ্ৰীকৃষ্ণ-চৰিত্ৰৰেই বলেগে বলেগে ছোৱা প্ৰকাশ কৰা হৈছে। বৰগীত পুথিত গীতবোৰ কোনো এটি বিষয় ক্ৰম নোহোৱাকৈ খলে-মলে হৈ আছে। কিন্তু সইবোৰক যদি প্ৰতিপাদ্য বস্তুৰ ক্ৰম অনুসাৰে ওলট-পালটকৈ ভাঙি বাছি উলিওৱা যায়, তেনেহ'লে তাৰ ভিতৰতো ভক্ত-ব□সল শ্ৰীকৃষ্ণৰ চৰিত্ৰ বলেগে বলেগে অংশ, বিশেষতঃ শিশুলীলা খণ্ড ওলাব। কীৰ্তন পুথিতো আমূল কৃষ্ণ-চৰিত্ৰই ওলাব। অঙ্কীয়া নাটবোৰতো কৃষ্ণ-লীলা প্ৰচাৰ কৰিবৰ উদ্দেশ্যেই লিখা। ভট্টদৰেৰ সংক্ষিপ্ত কথা-ভাগৱতো সকলোৱে বুজি পৰাকৈ গদ্যত কৃষ্ণ-চৰিত্ৰ প্ৰকাশৰে চেষ্টা। এতেকে দেখা গ'ল, পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্যৰ কেৱল বিশাল উদ্যম পদ্য, গদ্য, গীত, ভাওনা সকলোবোৰৰ ভিতৰেদিয়েই প্ৰচাৰ কৰা শ্ৰীকৃষ্ণৰ ভক্ত-ব□সল চৰিত্ৰ। শ্ৰীকৃষ্ণ-চৰিত্ৰকেই কেন্দ্ৰ কৰি সকলো অসমীয়া বৈষ্ণৱ সাহিত্য বৰ্তি আছে।

কেৱল এটি বিষয়ত আৰম্ভ হৈ কৃষ্ণ-চৰিত্ৰ ফুটি নোলাল। চিত্ৰ-বিদ্যাত পুৰণি অসম অইন ভাৰতীয় প্ৰদেশবোৰৰ আগ নহ'লেও পিছত নপৰে। কইবৈছৰমান আগতে অসম চৰকাৰে যতেয়া পুৰণি পুথি গোটায়, তাৰ ভিতৰত চিত্ৰ বিদ্যাৰ চূড়ান্ত-অভিব্যক্তি-প্ৰদৰ্শক এনে কিছুমান পুথি ওলাইছিল যে, সইবোৰ দেখি বিদেশী পণ্ডিতসকলো মুগ্ধ হৈছে। সাঁচপিতীয়া পুথিৰ আধাডোখৰত পদ আৰু আধাডোখৰত সই পদবোৰৰ অৰ্থ-ব্যঞ্জক চিত্ৰ। চৰকাৰে গোটোৱা পুথিৰ ভিতৰত হস্তী-বিদ্যাৰ্ণৱ নামে পুথি এখন আছে। তাত নানা তৰহৰ হাতীৰ চিত্ৰ আছে। মহাভাৰতৰ এছোৱা সাঁচপিতীয়া ভাঙণি আছে তাৰ আধাডোখৰত পদ, আধাডোখৰত চিত্ৰ। বৰপটোৰ সত্ৰাধিকাৰৰ ঘৰত বনমালীদেৱৰ চৰিত এখন আছে। তাৰো প্ৰত্যকে পাতৰেই আধাডোখৰত পদাৰ্থ-ব্যঞ্জক চিত্ৰ। পুৰণি অসমৰ চিত্ৰ-বিদ্যাৰ বিষয়ে অনুসন্ধান কৰিলে, পুৰণি অসমীয়া সভ্যতাৰ জউৰতি বঢ়োৱা বহুত তথ্য যে ওলাব, তাত কোনো সন্দেহ নাই।

যি হওক এই চিত্ৰ-নপৈণ্য কৃষ্ণ-চৰিত্ৰ প্ৰচাৰত নিয়োজিত হৈ নহ'ল। শঙ্কৰদেৱে যতেয়া প্ৰথমে চিহ্ন-যাত্ৰা ভাওনা কৰে, তেওঁ নিজ হাতেৰে বৈকুণ্ঠৰ পট আঁকি ৰাইজক দেখুৱায়। এটি ক্ষুদ্ৰ ঘটনাৰ পৰাই চিত্ৰ-বিদ্যাই যে কেনে বিকাশ লাভ কৰিছিল, জনা যায়। এজনী বুঢ়ীয়ে শঙ্কৰদেৱৰ চিত্ৰিত বৈকুণ্ঠ পাটত অকণমানি খুঁত উলিয়াই দিয়ে। সম্ভ্রান্ত মানুহৰ ঘৰত যে চিত্ৰ-বিদ্যাৰ চৰ্চা আছিল, ইয়াৰপৰাই অলপ অনুমান কৰিব পাৰি। তাত বাজেও কোচবিহাৰৰ নৰনাৰায়ণ ৰজাৰ অনুৰোধত শঙ্কৰদেৱে পুৰণি পাটবাউসীৰ অন্তৰ্গত তাঁতীকুছি নামে ঠাইত তাঁতীৰ হতুৱাই কাপোৰ বোৱাই, কাপোৰত ফুলবেৰে নিজি তত্ত্বাৱধানত

বৈকুণ্ঠ-লীলা তোলাই দছিলি। বষ্ণৈৱ আন্দোলনত চত্বি-বদ্যাই যে কৃষ্ণ-চৰত্বিক স্পৰ্শ কৰা নাছলি, এনে নহয় কন্তিু গীত, কাব্য ভাওনা আদয়িে শ্ৰীকৃষ্ণ-চৰত্বি আঁকোৱালি ধৰা যি পৰণিতি লাভ কৰছি,ে চত্বি-বদ্যাই সহৈখনি কৰবি নোৱাৰলি।ে চত্বি-বদ্যা ব্যয়-সাধ্য, কষ্টসাধ্য, আৰু ছপা-যন্ত্ৰ ওলোৱাৰ আগয়েে ইয়াৰ পৰসিৰ সম্ভৱান্ত পৰয়িালবোৰৰ মাজত আৱদ্ধ থাকবি লগাত পৰছিলি। কন্তিু বষ্ণৈৱ আন্দোলনৰ স্বতঃপ্ৰৰেতি উদ্দশ্যেই আছলি সামাজকি সম্ভৱম-নৰ্বিশিষে সমগ্ৰ জাতীয় হৃদয়কইে স্পৰ্শ কৰা এই বৰিাট জাতীয় আন্দোলনৰ পৰচিালকিা শক্তি যি কৃষ্ণ-চৰত্বিৰই বষ্ণৈৱ আদৰ্শ প্ৰচাৰৰ অংগস্বৰূপে চত্বি-বদ্যাক অৱহলো নকৰলিওে ইয়াক প্ৰধান অৱলম্বনৰূপে আশ্ৰয় কৰা নাছলি। এই বষিয়ত ৰাজপুতনা প্ৰদশেৰ অলপ বশিষ্টিতা দখো যায়। তাত যতেয়িা বষ্ণৈৱ আন্দোলন জাগি উঠ,ে ততেয়িা তাক চত্বি-বদ্যাৰওে প্ৰচাৰ কৰবিৰ চষ্টো এটি চলছিলি। কন্তিু শষে ফল প্ৰায় একে ধৰণৰইে হ'ল। অঙ্কতি চত্বিৰবোৰ বষ্ণৈৱ মঠবোৰতইে আৱদ্ধ থাকলি। এতয়িাহে অনুসন্ধা□সু পণ্ডতিসকলে লোক-সমাজত সইেবোৰ প্ৰচাৰ কৰবি লাগছি।ে বুৰঞ্জীৰ এইটো নৰ্ঘিাত সত্য য,ে যতেয়িা কোনো ঐশ্বৰকি পুৰুষৰ চৰত্বি মহাজাতীয় উদ্ৰবোধনৰ কন্দেৰস্থ শক্তৰিূপে পৰগিৃহীত হয়, ততেয়িা গীত, কাব্য, ভাওনা, চত্বি-বদ্যা, ভাস্কৰ্য, সুকুমাৰ শল্পিৰ সকলোবোৰ অঙ্গইে সইে ঐশ্বৰকি পুৰুষৰ চৰত্বি-মাহাত্ম্য-প্ৰকাশত নয়িোজতি হয়। বৌদ্ধধৰ্ম যতেয়িা গোটইে এচয়িা মহাদশেত বয়িপি পৰ,ে ততেয়িা চত্বি, কাব্য – বশিষেতঃ ভাস্কৰীবদ্যাৰ সহায়ৰে বুদ্ধদৰেৰ চৰত্বি-মাহাত্ম্য প্ৰকাশই বৌদ্ধ আন্দোলনৰ পৰচিালকিা শক্তি-ৰূপে ৰবিাজমান আছলি। ফলত, প্ৰস্তাৰ-খোদতি বুদ্ধ-মূৰ্তি যমিান ওলাইছে বা আছে পৃথৰিীৰ ইতহিাসত ঐতহিাসকি বা পৌৰাণকি কোনো পুৰুষৰ সমিান মূৰ্তি ওলোৱা নাই। সইেদৰে য়ুৰোপৰ মধ্য-যুগত যীশুখ্ৰীষ্টৰ শশিু-লীলাই চত্বি-বদ্যাক সমুজ্জ্বল কৰি তোলে।ে এক কৃষ্ণ-চৰত্বিৰকে অৱলম্বন কৰি ভাৰতীয় প্ৰাদশেকি ভাষাবোৰত যমিান তৰহৰ সাহত্যি আছ,ে বোধ হয় পৃথৰিীৰ কোনো মহাপুৰুষৰ বষিয়ইে তনেে সাহত্যি এটি গঠতি হোৱা নাই। এই বশিাল বষ্ণৈৱ সাহত্যিৰ এক উদ্দশ্যে কৃষ্ণ-চৰত্বিৰ জনসমাজৰ আগত সমুজ্জ্বল কৰি ধৰা। কয়িনো, ভাৰতীয় মহাজাতীয় বষ্ণৈৱ আন্দোলনত কৃষ্ণ শকিনতিকে তওেঁৰ চৰত্বিৰ বছেি ডাঙৰ উদ্ৰবোধন-শক্তি আছলি।

পুৰণি অসমীয়া বষ্ণৈৱ সাহত্যিত অঙ্কীয়া ভাওনাই অতি অপূৰ্ব ঠাই অধকিাৰ কৰি আছ।ে কীৰ্তন আদি ধৰ্মাত্মক কাব্যৰ ভতিৰদেি কৃষ্ণ-চৰতি ব্যক্ত কৰা হছে;ে নানা পৌৰাণকি মূলৰপৰা সংগৃহীত হৰণ আৰু বধ-কাব্যবোৰত কৃষ্ণ-চৰত্বিৰ ব্যক্ত কৰা হছে।ে পছিৰ কালত ভট্টদৰেে গদ্য-পুথৰিে কৃষ্ণ-চৰত্বিৰ ব্যক্ত কৰছি।ে কন্তিু জাতীয় উদ্ৰবোধনৰ ভাব প্ৰচাৰ কৰাত গীত আৰু ভাওনাৰ ঠাই সকলোৰে ওপৰত।

গীতৰ সহায়ৰে মানুহৰ নৰ্বিুদ্ধ চতৈন্যক জগাই গীতকইে সইে চতৈন্য-প্ৰভাৱৰ উপায়-স্বৰূপ কৰি লোৱা হয়। সকলো বষিয়ইে সকলো মানুহৰইে অলপ নহয় অলপ অস্পষ্ট ধাৰণা আছইে; গীত বা কবতিাৰ সহায়ৰে সইে অস্পষ্ট ধাৰণাক স্পষ্টভাৱে প্ৰকাশ কৰি সইে ধাৰণা-প্ৰকাশক ভাষাৰূপে নৰ্দ্ধাৰতি কৰি দয়িা হয়। এই গীত বা কবতিাই বশিষে জাতীয় আন্দোলনৰ বষিয়ত জনসামজৰ সাধাৰণ ভাষাৰূপে পৰগিৃহীত হয় আৰু আগয়েে যটিো স্পষ্ট ধাৰণা আছলি সি গীতৰ সহায়ত ফুটি উঠি প্ৰাণ-চতৈন্যৰ লগত মহিলি হি যায়।

কইেবছৰমান আগত বঙ্গদশেত যতেয়িা জাতীয় জাগৰণৰ সূত্ৰপাত হয়, ততেয়িা কৰিবৰ দ্বজিনেদ্ৰলাল ৰায়ৰ জাতীয় গীতবোৰে সমগ্ৰ বঙ্গদশেকইে মুখৰতি কৰি তোলে আৰু সইে জাতীয় আন্দোলনৰ বষিয়ত সইে গীতবোৰইে জনসাধাৰণৰ ভাব-প্ৰকাশক উমহৈতীয়া ভাষা যনে হ'ল, এই জাতীয় ভাব সকলোৰে মনত বস্তিাৰ কৰবিলৈ তওেঁৰ ঐতহিাসকি নাটকবোৰওে কম প্ৰভাৱ বস্তিাৰ কৰা নাছলি।

জাতীয় চতেন্য জগাই দবিলৈ দ্বজিনেদ্ৰলালৰ সঙ্গীতে যি কাম কৰছিলি, অধ্যাত্মকি চতেন্য জগাই তুলবিলৈ শঙ্কৰদৱেৰ গীতবোৰে তাতোকৈ বছেি কাম কৰছিলি। জাতীয় ভাবতকৈ আধ্যাত্মকি ভাবে সমাজত বছেি সোনকালে প্ৰৱশে লাভ কৰে। জনসাধাৰণৰ প্ৰাণ অতি সোনকালে স্পৰ্শ কৰে বুলয়িইে যে বষৈ্ণৱ আন্দোলনত আধ্যাত্মকি গীতৰ প্ৰাচুৰ্য হছেলি তাত অকণোে সন্দহে নাই। ভাওনাৰ উদ্দশে্য প্ৰায় সমান হ'লওে বছেি প্ৰশস্ত শঙ্কৰদৱেৰ প্ৰচাৰতি আদি মূল অসমীয়া বষৈ্ণৱ মতত প্ৰতমিা-পূজাৰ বশিষ্টি্য ঠাই নাই। মূৰ্তি-পূজাৰ লগত প্ৰকৃত ধৰ্মৰ সম্বন্ধ থাকক নাথাকক, ই ধৰ্মৰ পৰদিৃশ্যমান ভাগ প্ৰকাশ কৰে। বষিয়া আড়ম্বৰ হৈ-চৈ এটি লগাই দি, ধৰ্মৰ বষিয়ত ই জনসাধাৰণৰ বাহ্যকি দৃষ্টি আকৰ্ষণ কৰে। প্ৰথমবাৰ তীৰ্থৰপৰা ঘূৰি আহি শঙ্কৰদৱেৰে নজিইে জগন্নাথ-মূৰ্তি প্ৰতষ্টিা কৰাই আন আন উদ্দশে্যৰ লগতে নতুন যুগ-প্ৰৱৰ্তন সূচনা কৰে। কন্তিু মানুহৰ মন ধৰবিলৈ শঙ্কৰদৱেৰে প্ৰতমিা পূজাতকৈ আন এটি বছেি ফলদায়ক উপায় আৱষ্কিাৰ কৰলি। সয়েে হছেে ভাওনাৰ প্ৰচলন।

প্ৰায় সকলোে দশেতইে ভাওনাই নৱধৰ্ম প্ৰচলনৰ বাহনস্বৰূপে কাম কৰি আহছি। পুৰণি গ্ৰীচ দশেত নাট্যসাহত্যিৰ ভতিৰদেি জাতীয় আৰু আধ্যাত্মকি আদৰ্শ ব্যক্ত কৰা হছেলি। খ্ৰীষ্টধৰ্ম প্ৰথমে প্ৰচলতি হ'বলৈ ধৰাত, নাট্য-সাহত্যিই ইয়াৰ বস্তিাৰত সহায় কৰছিলি। সইে একে উদ্দশে্যৰ বশৱৰ্তী হয়ৈে শঙ্কৰদৱেৰে প্ৰথমে নাট-সাহত্যি ৰচনা কৰে। মানুহ স্বভাৱতে আমোদ-প্ৰয়ি আৰু ভাওনাৰ এটি সুবধিা এই যে, ৰং-ধমোলৰি লগে লগে ই মানুহক শক্ষিা দয়িে। পুৰণি বষৈ্ণৱ সাহত্যিত ভাওনাৰ ঠাই লোক-ৰঞ্জক, লোক-সংগ্ৰহ, লোক-স্থতিতি; আকৌ, ভাওনাৰে যমিান সোনকালে কোনোে এটা বষিয় মানুহৰ মনত সুমুৱাই দবি পাৰি, আন একোৰে নোৱাৰা 'তলৈবনি্দুব□' পানীত তলেৰ টোপাৰ দৰে নাটৰ প্ৰতপিাদ্য বষিয় বৰিাট জনসঙঘত বয়িপি পৰে। অসমীয়া নাটৰ নমিাৰ্ণৰ কৌশলোে ইয়াৰ উদ্দশে্যৰ অনুৰূপ। সূত্ৰধাৰইে ইয়াৰ মধ্যস্থ পুৰুষ। সূত্ৰধাৰ নামটোে সংস্কৃত নাটৰপৰা ধাৰ কৰি অনা হ'লওে ভাওনাত ইয়াৰ কাম সম্পূৰ্ণ স্বতন্ত্ৰ। সংস্কৃত নাটত সূত্ৰধাৰৰ কাম আছলি কৰেল গ্ৰন্থকাৰৰ পৰচিয় দি কি উপলক্ষে নাটখন প্ৰৱৰ্তন কৰা হ'ল, মাথোেন এইখনি কৈ দয়িা। তাৰ পছিত সূত্ৰধাৰ ওলাই যায় আৰু নাটৰ কাম আপোনা-আপুনি আৰম্ভ হয়। অসমীয়া নাটত সূত্ৰধাৰ গুৰবিপৰা শষেলকৈে দোহাৰত উপস্থতি থাকে আৰু এই সূত্ৰধাৰক কন্দেৰস্থ কৰয়িইে চকৰবি দৰে ঘূৰে। এই সূত্ৰধাৰজন নাটকৰ প্ৰতপিাদ্য বষিয় আৰু দৰ্শকমণ্ডলীৰ ভতিৰত মধ্যৱৰ্তী লোক। নাটৰ ঘটনাৱলীৰ সকলোে সম্ভাৱতি অৰ্থ উদ্ধাৰ কৰি সূত্ৰধাৰে 'আহে সামাজকি লোক' বুলি দৰ্শকসকলক বুজাই দয়িে। গোটইে ভাওখন জানবিা বৰেত আঁৰি থোৱা ছবৰি মানচত্রি। সূত্ৰধাৰে সইে চত্রিবোৰ আঙুলৰিে বুজাই দয়িাৰ দৰে নাটৰ ঘটনা-পৰম্পৰা আৰু সইেবোৰ তা□পৰ্য ৰাইজক বুজাই নয়িে।

এই সূত্ৰধাৰৰ অনুৰূপ কল্পনা পুৰণি ভাৰতীয় সাহিত্যত নাই। ইয়াক দেখা যায় মাথোন পুৰণি গ্ৰীক নাটৰ কোৱাছৰ কল্পনাত। কিন্তু গ্ৰীক নাটে চৰম অভিব্যক্তি লাভ কৰিছিল বুলি মুখামুখিকৈ সমজুৱাসকলক লক্ষ্য কৰি গ্ৰীক কোৱাছে কথা নকয়, কেৱল নাটৰ ঘটনাবোৰৰ অৰ্থ দৰ্শকমণ্ডলীক উপলক্ষ্য কৰি গীতৰ সহায়েৰে ব্যক্ত কৰে। অসমীয়া নাটত সূত্ৰধাৰৰ গীত আৰু সমজুৱাসকলক লক্ষ্য কৰি কোৱা গীতাৰ্থব্যঞ্জক কথাও আছে।

পুৰণি অসমীয়া নাটৰ নিৰ্মাণত দুটি খলপা পোৱা যায়। নাটত গদ্য আৰু পদ্য দুয়োটা আছে। গদ্য-কথাবোৰ একেবোৰে এৰি দিলেও কেৱল গীত আৰু পদৰ ভিতৰতেই বচন আৰু উত্তৰস্বৰূপে নাটৰ ঘটনাৱলী পোৱা যায় আৰু গীত-পদ এৰি দিলেও কেৱল কথাৰপৰাই গোটেই নাটখন উদ্ধাৰ কৰিব পাৰি। গদ্য-কথাবোৰ এৰি দিলে নাট হ'বই নোৱাৰে, কিন্তু কবসিকলৰ প্ৰতিভাৰ বিকাশ হয়ে গীত আৰু পদবোৰৰ ভিতৰদেই। কথাবোৰেৰে নাটৰ ঘটনা-পৰম্পৰাক সৰলভাৱে সমজুৱাসকলক বুজুওৱা হয়ে মাথোন। কিন্তু সাহিত্য হিচাপে নাটবোৰৰ সাৰুৱা অংশ হয়ে গীতবোৰেই।

পুৰণি অসমীয়া নাটৰ নিজি নাম হয়ে অঙ্কীয়া ভাওনা। সংস্কৃতত ভাণ নামে এবিধ নাটক আছে, তাত মাথোন একটো অঙ্ক থাকে। অসমীয়া নাটতো গুৰিৰিপৰা আগলৈকে একটো অঙ্ক মাথোন। সংস্কৃতৰ এক অঙ্ক থকা ভাণৰ লগত আমাৰ অঙ্কীয়া ভাওনাৰ কিবা সম্বন্ধ থাকিব পাৰে। এইটোও অলপ মন কৰিবলগীয়া যে পুৰণি গ্ৰীক নাটবোৰতো একটো মাথোন অঙ্ক থাকে।

সূত্ৰধাৰৰ অভিনয় ভাও-কল্পনাৰ লগত নাটৰ এক অঙ্কৰ এটি ডাঙৰ সম্বন্ধ আছে। আধুনিকি আৰু পুৰণি নাটবোৰো বলেগে বলেগে অঙ্কত বিভক্ত। সূত্ৰধাৰৰ নতুন ৰূপ কল্পনাৰপৰা অঙ্কীয়া নাটক বলেগে বলেগে অঙ্কত বিভাগ কৰাৰ প্ৰয়োজনীয়তা উঠি গ'ল। আধুনিকি নাটৰ দুটি অঙ্কৰ মাজডোখৰত যি ঘটনা-পৰম্পৰা হয়, অঙ্কীয়া নাটত সূত্ৰধাৰে গীত আৰু কথাৰ সহায়েৰে সমজুৱাসকলক সেই ঘটনাৱলীক সংক্ষিপ্ত কৰি দিয়ে। পৰৱৰ্তী 'কথা' বুজিবলৈ সূত্ৰধাৰৰ বচনে পাতনিৰ কাম কৰে। যেনে চোৱধৰা নাটত এপিনে যেতিয়া গোৱালিনীসকলে কৃষ্ণক চোৰ ধৰি শাস্তি-স্বৰূপে নাচিবলৈ দিছে, তেতিয়া আনপিনে যশোদাদেৱীয়ে কৃষ্ণ হেৰোল বুলি বাটৰুৱা মানুহবোৰক সুধি ফুৰিবি লাগিছে। আধুনিকি নাটত এই দুটা দৃশ্য বলেগে বলেগে স্বতন্ত্ৰ দৃশ্যত দেখুওৱা হ'লহেঁতেন। কিন্তু অঙ্কীয়া নাটত সূত্ৰধাৰৰ কথাৰ সূতাৰে দুয়োটা ঘটনাক একলেগে গাঁথি পেলোৱা হয়ে –

কথা

সূত্ৰধাৰ বোল : ঐছন প্ৰকাৰে শ্ৰীকৃষ্ণ গোপীসৱক মনোৰথ পূৰয়ি নানাবিধ কৌতুক-নৃত্য কৰয়ি আনন্দে তথি থকি। তদনন্তৰে যশোদা আপুনি বালক ঘৰে নাহি পেখেয়ি পুত্ৰ-স্নেহে আকুলতি হুয়া যমুনাক তীৰে তীৰে চায়া বড়োইতে জছে পথকি জনত বাত পুছত তা দেখেহ শুনহ নিৰন্তৰে হৰিবোল হৰিবোল।

কথাখনি মন দি চালে দেখা যাব, আধুনিকি নাটকৰ যিখিনি ঠাইত বন্ধনী চিনিৰ ভিতৰত দৃশ্য আদিৰি কথা উল্লেখ থাকে, অঙ্কীয়া নাটত সূত্ৰধাৰৰ কথাই সেই বন্ধনী চিনিৰ কামোকৰে। তাৰ বাহিৰিও পৰৱৰ্তী ঘটনাৰ যি সূচনা দিয়ে, তাৰপৰা সমজুৱাসকলৰ পক্ষে নাটৰ ঘটনা-পৰম্পৰা ধৰিবলৈ সুবিধা হয়। আজিকালিৰি দিনত দৰ্শকসকলৰ মাজত বিলাই দিয়া ছপোৱা কাকত কেইডুখৰমানে এই সূচনাৰ কাম কৰে। যেতিয়া ছপা-যন্ত্ৰৰ নাছিল আৰু

বশিষেতঃ নাটবোৰ যতেয়িা সাধাৰণ জনসমাজক এটি আদৰ্শ বুজাবলৈ ৰচতি হছৈলি, সূত্ৰধাৰৰ অভনিৱ ৰূপ-কল্পনা যে কমিান সফল, সহজে অনুমান কৰবি পাৰা। মুঠ কথা, সূত্ৰধাৰৰ কথাবোৰৰ ঘটনা-ক্ৰমৰ লগৰীয়াৰ পাতনস্বিৰূপ আৰু নাটৰ ঘটনাৱলীৰ অন্ততোে সূত্ৰধাৰে সমজুৱাসকলক লক্ষ্য কৰি নাটৰ অভপ্িৰতে অৰ্থ বুজাই দয়িে।

৫.৩.১ প্রবন্ধটোৰ সাধাৰণ আলোচনা

আমাৰ পাঠ্যবষিয়ৰ অন্তৰ্গত বাণীকান্ত কাকতৰি ''অংকীয়া ভাওনা'' প্ৰবন্ধটোে তওেঁৰ পুৰণি অসমীয়া সাহত্যি নামৰ সাহত্যি সংকলনখনত অন্তৰ্ভুক্ত। এই প্ৰবন্ধটোৰ জৰয়িতে বাণীকান্ত কাকতয়িে বষ্যিণৱ আন্দোলনত সংগীত-নাট্য আৰু চত্যিকলাৰ প্ৰয়োগ কনেদেৰে ঘটছিলি সইে বষিয়ে আলোচনা কৰি শংকৰদৰেে আৰম্ভ কৰা অংকীয়া ভাওনাৰ বষিয়ে বহলাই আলোচনা কৰছি।ে

ইতমিধ্যে আমি উল্লখে কৰি আহছিোঁ যে, ব্যাখ্যাত্মক আৰু তুলনামূলক – এই দুই ধাৰাৰে সাহত্যি সমালোচনাত লপ্িত হোৱা কাকতয়িে বজ্ঞৈানকি দৃষ্টভিংগীৰে সাধাৰণ পাঠকৰ দৃষ্টগিোচৰ নোহোৱা সাহত্যিৰ সৌন্দৰ্য আৱষ্কিাৰ কৰ।ে আমাৰ আলোচ্য প্ৰবন্ধটোতোে তাৰ সাৰ্থক প্ৰয়োগ ঘটা দখেবিলৈ পাওঁ। এই প্ৰবন্ধটোত তওেঁ অংকীয়া ভাওনাৰ বষিয়ে ক'বলৈ গে ভাওনাৰ কন্দেৰবন্দিুৰ বষিয়ে কছেে আৰু সয়ো বহলাই আলোচনা কৰবিলৈ গে বভিন্নি ধৰণৰ ব্যাখ্যা আৰু তুলনা দাঙি ধৰছি।ে

প্ৰবন্ধটোৰ আৰম্ভণতিইে বাণীকান্ত কাকতয়িে মন্তব্য কৰছিে যে, পুৰণি অসমীয়া সাহত্যিৰাজতি অংকীয়া নাটমালাৰ এক বশিষ্টি স্থান আছ।ে ইয়াৰ পাছতইে তওেঁ অসমীয়া বষ্যিণৱ সাহত্যি মূল বশৈষ্ট্যি কথা ক'বলৈ গে সকলোে শ্ৰণেীৰ সাহত্যিৰ মাজতে যে শ্ৰীকৃষ্ণৰ লীলা-মালা প্ৰচাৰইে কন্দেৰস্থ ভাব হচিাপে থাকে সইে কথা ব্যক্ত কৰছি।ে তওেঁ মন্তব্য কৰছিে – ''পুৰণি অসমীয়া বষ্যিণৱ সাহত্যিৰ কৱেল বশিাল উদ্যম পদ্য, গদ্য, গীত, ভাওনা সকলোবোৰৰ ভতিৰদেয়িইে প্ৰচাৰ কৰা শ্ৰীকৃষ্ণৰ ভক্ত-ব□সল চৰত্যিৰ। শ্ৰীকৃষ্ণ-চৰত্যিৰকইে কন্দেৰ কৰি সকলোে অসমীয়া বষ্যিণৱ সাহত্যি বৰ্তি আছ।ে''

অৱশ্যে চত্যিৰ-কলাত যে সইে দশিটোৱে অধকি গুৰুত্ব নাপালে সইে কথাও তওেঁ তথ্যসহকাৰে দাঙি ধৰছি।ে কন্তিু তাৰ অৰ্থ এইটোে নহয় যে, অসমত পুৰণি কালত চত্যিৰ-বদ্যিাৰ প্ৰচলন নাছলি। শংকৰদৰেে চহ্নি-যাত্ৰা ভাওনা কৰোঁতে চত্যিৰপটত বকৈুণ্ঠৰ পাট আঁকি ৰাইজক দখেুৱায়। সইে সময়ত এগৰাকী বৃদ্ধাই তাত অকণমানি খুঁত উলয়িাই দয়িাৰ প্ৰসংগটো উল্লখে কৰি সম্ভ্রান্ত মানুহৰ ঘৰত যে চত্যিৰ-বদ্যিাৰ চৰ্চা আছলি তাৰ প্ৰমাণ দাঙি ধৰছি।ে ব্যয়-সাধ্য, কষ্টসাধ্য আৰু ছপা-যন্ত্ৰ নাছলি বাবে চত্যিৰ-বদ্যিাৰ পৰসিৰ যে সীমতি হৈ আছলি সয়োও তওেঁ ব্যক্ত কৰছি।ে তুলনামূলক দৃষ্টি নকি্ষপে কৰি তওেঁ মন্তব্য কৰছিে যে ইতহিাসে আমাক সোঁৱৰাই দয়িে যে কোনোে জাতৰি কন্দেৰন্থ শক্তি হচিাপে ঐশ্বৰকি পুৰুষৰ জন্ম হ'লে গীত, কাব্য, ভাওনা, চত্যিৰ-বদ্যিা, ভাস্কৰ্য, সুকুমাৰ কলা আদি সকলোবোৰৰ অঙ্গইে সইে ঐশ্বৰকি পুৰুষৰ চৰত্যিৰ-মাহাত্ম্য-প্ৰকাশত নয়িোজতি হয়। এই

প্ৰসংগত বৌদ্ধ ধৰ্মৰ প্ৰচাৰৰ বাবে সৃষ্টি হোৱা বৌদ্ধ ভাস্কৰ্য আৰু খ্ৰীষ্ট ধৰ্ম প্ৰচাৰৰ বাবে য়ুৰোপৰ মধ্য-যুগত যীশুখ্ৰীষ্টৰ শিশু-লীলাই চিত্ৰ-বদ্যিাক সমুজ্জ্বল কৰি তোলাৰ কথা উল্লখে কৰছি। অৱশ্যে ভাৰতীয় বষৈ্ণৱ জাগৰণত বা বষৈ্ণৱ আন্দোলনত যে, "চিত্ৰ-বদ্যিাই যে কৃষ্ণ-চৰিত্ৰক স্পৰ্শ কৰা নাছলি, এনে নহয়; কন্তিু গীত, কাব্য ভাওনা আদয়িে শ্ৰীকৃষ্ণ-চৰিত্ৰ আঁকোৱালি ধৰি যি পৰণিতি লাভ কৰছি, চিত্ৰ-বদ্যিাই সইেখনি কৰবি নোৱাৰলি। .....কৃষ্ণ-চৰিত্ৰই বষৈ্ণৱ আদৰ্শ প্ৰচাৰৰ অংগস্বৰূপে চিত্ৰ-বদ্যিাক অৱহলো নকৰলিওে ইয়াক প্ৰধান অৱলম্বনৰূপে আশ্ৰয় কৰা নাছলি।'' ইয়াৰ কাৰণ আছলি বষৈ্ণৱ আন্দোলনত কৃষ্ণ চৰিত্ৰটোৱইে এক বৃহ□ উদ্বোধন-শক্তস্বিৰূপে ক্ৰয়িাশীল ৰূপ গ্ৰহণ কৰাটো।

অসমীয়া বষৈ্ণৱ সাহত্যিৰাজতিো কৃষ্ণ-চৰিত্ৰই অধকি গুৰুত্ব লাভ কৰছিলি। ববিধি ধাৰাৰ সাহত্যি সৃষ্টি হছৈে যদওি গীত আৰু ভাওনাৰ স্থান সকলোৰে ওপৰত বুলি বাণীকান্ত কাকতয়িে মন্তব্য কৰছি। ইয়াৰ পাছতইে গীতে মানুহৰ সুপ্ত চতৈন্যক কনেদেৰে প্ৰভাৱতি কৰে সইে বষিয়ওে তওেঁ বহলাই আলোচনা দাঙি ধৰছি। এই প্ৰসংগত তওেঁ বংগৰ নৱজাগৰণৰ সময়ত দ্বজিনেদ্ৰলাল ৰায়ৰ জাতীয় গীতবোৰে কনেদেৰে জাতীয় চতৈন্য জগাই তুলছিলি সইে কথা উল্লখে কৰি তাৰ পূৰ্বতে শংকৰদৰেওে যে অসমত আধ্যাত্মকি চতৈন্য জগাই তুলবিলৈ গীতসমূহ ৰচনা কৰছিলি সইে কথা ব্যক্ত কৰছি। তাতে আধ্যাত্মকি ভাবে জাতীয় ভাবতকৈ অতি সহজে জনসাধাৰণৰ মনত প্ৰৱশে কৰে সইেবাবইে গীতৰ সংখ্যা আধকি যদওি তাতকৈ বছেি ফলদায়ক উপায় বচিাৰয়িইে শংকৰদৰেে ভাওনাৰ আৰম্ভ কৰ। গ্ৰীক দশেত নাটকৰ মাজদেয়িইে যে জাতীয় আৰু আধ্যাত্মকি আদৰ্শ ব্যক্ত কৰা হছৈলি আৰু খ্ৰীষ্টধৰ্ম প্ৰসাৰৰ সময়তোে যে এনে ধৰণৰ নাট্যচৰ্চাই বাহনস্বৰূপে কাম কৰি আহছি সইে কথাও কাকতীয়ে উদাহৰণ হচিাপে উল্লখে কৰছি। তদুপৰি, মানুহ যে স্বভাৱতে অনুকৰণপ্ৰয়ি, আমোদ-প্ৰয়ি হোৱা কথাটোৱওে এই ক্ষত্রেত সহায়কস্বৰূপে কাম কৰে সইে বষিয়ওে মত পোষণ কৰছি। ভাওনাৰ জৰয়িতে ৰং-ধমোলৰি মাজদেওি অতফিলপ্ৰসূভাৱে মানুহৰ শক্ষিা প্ৰদান কৰবিপৰা যাব – সইে কথা অনুধাৱন কৰয়িইে শংকৰদৰেে অংকীয়া ভাওনাৰ সৃষ্টি কৰছিলি বুলি বাণীকান্ত কাকতয়িে ববিচেনা কৰ।

পানীত তলে পৰলিে চাৰওিফালে বয়িপি পৰাৰ দৰে নাটৰ প্ৰতপিাদ্য বষিয়ে়ো অতি সহজে বৰিাট জনসঙঘত বয়িপি পৰ। এই উদ্দশ্যে আগত ৰাখয়িইে সকলোৰে মন আকৃষ্ট কৰবিলৈ অংকীয়া ভাওনাৰ জন্ম দয়িা হ'ল। দৰ্শক আৰু নাটৰ মধ্যস্থ ব্যক্তি হ'ল সূত্ৰধাৰ। তওেঁ আদৰি পৰা অন্তলকৈে মঞ্চত উপস্থতি থাকি ভাওনাখন আগবঢ়াই নয়ি। এক কথাত ক'ব পাৰি ''সূত্ৰধাৰজন নাটকৰ প্ৰতপিাদ্য বষিয় আৰু দৰ্শকমণ্ডলীৰ ভতিৰত মধ্যৱৰ্তী লোক।'' সূত্ৰধাৰ নামটোে সংস্কৃত নাটৰ পৰা গ্ৰহণ কৰা হছৈে যদওি সংস্কৃত নাটৰ সূত্ৰধাৰৰ চৰিত্ৰৰ লগত অসমীয়া ভাওনাৰ সূত্ৰধাৰৰ পাৰ্থক্য বদ্যিমান। সংস্কৃত নাটত নাটখন আৰম্ভ কৰয়িইে সূত্ৰধাৰৰ প্ৰস্থান ঘটে; কন্তিু অসমীয়া ভাওনাত নাটৰ শষেলকৈে তওেঁ উপৱষ্টি থাকে আৰু সকলোে কথাৰ আঁত ধৰি যায়। বাণীকান্ত কাকতৰি ভাষাৰে ''গোটইে ভাওখন জানবিা বৰেত আঁৰি থোৱা ছবৰি মানচত্ৰি। সূত্ৰধাৰে সইে চত্ৰিবোৰ আঙুলৰিে বুজাই দয়িাৰ দৰে নাটৰ ঘটনা-পৰম্পৰা আৰু সইেবোৰ তা□পৰ্য ৰাইজক বুজাই নয়ি।'' এই চৰিত্ৰৰটোৰ অনুৰূপ চৰিত্ৰ ভাৰতীয় সাহত্যিত দখো নাযায়। গ্ৰীক নাটকৰ কোৰাচৰ

লগত কিছু মিল আছে যদিও অমিলো পৰিলক্ষিত হয়। এই কথা যুক্তি আৰু উদাহৰণসহ বাণীকান্ত কাকতিয়ে প্ৰবন্ধটোত বিশ্লেষণ কৰিছে।

বাণীকান্ত কাকতিয়ে পুৰণি অসমীয়া নাট নিৰ্মাণত ''দুটি খলপা'' পোৱা যায় বুলি মন্তব্য কৰিছে। অৰ্থা□ একেখেনি কথাকে গদ্য আৰু পদ্যত দুবাৰ ব্যক্ত কৰা হৈছে। গদ্যখিনি বাদ দি পদ্যখিনি পঢ়িলেও নাটৰ ঘটনাৱলী গম পাব পাৰি আৰু গীত-পদ এৰি দিলেও কৱেল কথাৰপৰাই গোটেই নাটখন উদ্ধাৰ কৰিব পাৰি। অৱশ্যে গদ্য-কথাবোৰ এৰি দিলে সি নাট হ'বই নোৱাৰে বুলি মত পোষণ কৰিও কবসিকলৰ প্ৰতিভাৰ সৰ্ব্বোত্তম বিকাশ হৈছে গীত আৰু পদবোৰৰ মাজদেহিহে বুলি মন্তব্য কৰিছে। কথাংশৰ মাজদেি ঘটনা-পৰম্পৰাহে ব্যক্ত কৰা হৈছে আৰু এই গীতাংশই হ'ল সাহিত্যি হিচাপে ''নাটবোৰৰ সাৰুৱা অংশ।''

মন কৰিবিলগীয়া যে, এই সকলোখিনি কথা আলোচনা কৰাৰ পাছত হে সাহিত্যি-সমালোচক কাকতিয়ে মন্তব্য কৰিছে যে, – "পুৰণি অসমীয়া নাটৰ নিজি নাম হৈছে অঙ্কীয়া ভাওনা।'' ইয়াৰ পাছতেই সংস্কৃতত ''ভণ'' নামৰ এক অংশ বিশিষ্ট নাট থকাৰ কথা উল্লেখ কৰি অসমীয়া এক অংক যুক্ত এই ভাওনাসমূহৰ কিবা সম্বন্ধ থাকিব পাৰে বুলি মত পোষণ কৰিছে। এই প্ৰসংগত তেওঁ প্ৰাচীন গ্ৰীক নাটকত যে কৱেল এটা অংক থাকে সেই কথাও ব্যক্ত কৰিছে।

প্ৰবন্ধটোৰ শেষত উদাহৰণসহ তেওঁ সূত্ৰধাৰ চৰিত্ৰিটোৰ অভিনৱত্বৰ কথা প্ৰকাশ কৰি সামৰণি মাৰিছে। সূত্ৰধাৰ চৰিত্ৰিটোৰ বাবেই অংকীয়া নাট একোখন বলেগে বলেগে অংকত বিভাজন কৰাৰ প্ৰয়োজনীয়তা নোহোৱা হ'ল। সূত্ৰধাৰে কথাৰ সূতাৰে, গীতৰ মাজেৰে বলেগে বলেগে অংকত বিভাজন কৰিবিলগীয়া ঘটনাও এডাল সূতাতে বান্ধি পলোয়। নাটত কি ঘটিছে বা কিয় ঘটিছে, কি ঘটিবি সেয়ো সূত্ৰধাৰে সমজুৱাক কৈ যায়। বাণীকান্ত কাকতিৰ ভাষাৰেই ক'ব পাৰি – ''আজকিালিৰ দিনত দৰ্শকসকলৰ মাজত বিলাই দিয়া ছপোৱা কাকত কেইডুখৰমিানে এই সূচনাৰ কাম কৰে। যতেয়িা ছপা-যন্ত্ৰ নাছিল আৰু বিশেষতঃ নাটবোৰ যতেয়িা সাধাৰণ জনসমাজক এটি আদৰ্শ বুজাবলৈ বিচতি হৈছিল, সূত্ৰধাৰৰ অভিনৱ ৰূপ-কল্পনা যে কিমান সফল, সহজে অনুমান কৰিব পাৰি। মুঠ কথা, সূত্ৰধাৰৰ কথাবোৰৰ ঘটনা-ক্ৰমৰ লগৰীয়াৰ পাতনস্বিৰূপ আৰু নাটৰ ঘটনাৱলীৰ অন্ততোে সূত্ৰধাৰে সমজুৱাসকলক লক্ষ্য কৰি নাটৰ অভিপ্ৰেতে অৰ্থ বুজাই দিয়ে।''

এই আলোচনাটিৰি পৰা আপুনি নিশ্চয় অনুধাৱন কৰিবলৈ সক্ষম হৈছে যে, 'অংকীয়া ভাওনা' প্ৰবন্ধটিৰি যোগেদি কাকতিৰ ৰচনা শলৈীৰ বশৈষ্ট্যিসমূহো সুন্দৰভাৱে ফুটি উঠিছে। প্ৰয়োজনসাপেক্ষে ব্যাখ্যাত্মক আৰু প্ৰয়োজনসাপেক্ষে তুলনামূলক দৃষ্টভিংগীৰে সাধাৰণ পাঠকৰ দৃষ্টগিোচৰ নোহোৱা সাহিত্যিৰ সৌন্দৰ্য আৱষ্কিাৰ কৰি সৰ্বসাধাৰণ পাঠকৰ বাবে মুকলি কৰি দিছে। কাকতিৰ গদ্য ঠায়ে ঠায়ে কাব্যসুলভ, ছন্দও মনোৰম। তেওঁ নজিৰ উপমা, ৰূপক আৰু নজিৰ গঠন-বীতি ব্যৱহাৰ কৰি ভাষাক এটি অভিনৱ ঘৰুৱা ৰূপ প্ৰদান কৰিছে। উদাহৰণস্বৰূপে প্ৰবন্ধটোৰ যকিোনো এটা শাৰীয়েই তুলি দিব পাৰি। বক্তব্য প্ৰকাশ কৰোতে তেওঁ বিভিন্নি উদাহৰণৰ দাঙি ধৰিছে যদিও ক'তোে বৰ্ণনাৰ

বাহুল্যতাৰ দোষে চুই যোৱা নাই। কম শব্দৰে অধিক অৰ্থ প্ৰকাশ কৰাৰ লগতে শিল্পীসুলভ কৌশলৰে শব্দসমূহ ৰীতিবিদ্ধ কৰি ব্যৱহাৰ কৰিছে।

এনদেৰে বিচাৰ কৰি চালে দেখা যায় যে বাণীকান্ত কাকতিৰ ''অংকীয়া ভাওনা'' এটি উৎকৃষ্টমানৰ সাহিত্য সমালোচনামূলক প্ৰবন্ধ।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১: বাণীকান্ত কাকতিৰ সাহিত্য সমালোচনাত আমি কি কি ধাৰা দেখিবলৈ পাওঁ?

.....

.....

প্ৰশ্ন নং ২: সাধাৰণভাৱে সূত্ৰধাৰক কি বুলি ক'ব পাৰি?

.....

.....

2৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাণীকান্ত কাকতিৰ পূৰণি অসমীয়া সাহিত্য গ্ৰন্থত অন্তৰ্ভুক্ত এটি গুৰুত্বপূৰ্ণ সমালোচনামূলক প্ৰবন্ধ হৈছে "অংকীয়া ভাওনা"। এই প্ৰবন্ধটোৰ জৰিয়তে কাকতিয়ে বৈষ্ণৱ আন্দোলনত সংগীত-নাট্য আৰু চিত্ৰকলাৰ প্ৰয়োগ কেনেদেৰে ঘটিছিল সেই বিষয়ে আলোচনা কৰি লাভ কৰিব।
- শংকৰদেৱে বৈষ্ণৱ ধৰ্ম আৰু আধ্যাত্মিক আদৰ্শ প্ৰচাৰৰ উদ্দেশ্যে অংকীয়া ভাওনাৰ সৃষ্টি কৰিছিল। অংকীয়া ভাওনাৰ আটাইতকৈ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে সূত্ৰধাৰৰ ভূমিকা। সূত্ৰধাৰে নাটকৰ ঘটনা আৰু তাৎপৰ্য দৰ্শকৰ আগত সুস্পষ্টভাৱে ব্যাখ্যা কৰে।
- গীত আৰু ভাওনাই জনসাধাৰণৰ মাজত আধ্যাত্মিক চেতনা জগাই তুলিবলৈ বিশেষ ভূমিকা পালন কৰিছিল।
- বাণীকান্ত কাকতিয়ে ব্যাখ্যাত্মক আৰু তুলনামূলক আলোচনাৰে অংকীয়া ভাওনাৰ সৌন্দৰ্য আৰু মহত্ব সুন্দৰভাৱে প্ৰকাশ কৰিছে।

O অধিক জানিবলৈ

কোঁৱৰ, অপৰ্ণা (সম্পা) (২০১৬); *আধুনিক অসমীয়া গদ্যশৈলী;* বনলতা।

নেওগ, মহেশ্বৰ (সম্পা) (২০১৮); *বাণীকান্ত ৰচনাৱলী;* অসম প্ৰকাশন পৰিষদ।

বৰা, মহেন্দ্ৰ (২০০২); *সাহিত্য উপক্ৰমণিকা;* বনলতা।

ভূঞা, স্মৃতি ৰেখা (২০০৭); *অসমীয়া গদ্যৰীতি;* বৃষ্টি প্ৰকাশন।

ভূঞা, স্মৃতিৰেখা (২০১০); *অসমীয়া গদ্যৰীতি 'জোনাকী'ৰ পৰা 'ৰামধেনু'লৈ;* বৃষ্টি প্ৰকাশক।

শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* সংগমাৰ প্ৰকাশ।
শৰ্মাদলৈ, হৰিনাথ (১৯৯২); *অসমীয়া গদ্য-সাহিত্যৰ গতি-পথ;* পদ্মপ্ৰিয়া লাইব্ৰেৰী,শান্তিপুৰ।
শৰ্মাদলৈ, হৰিনাথ; (২০১৫); *সাহিত্য-প্ৰৱেশ;* পদ্মপ্ৰিয়া লাইব্ৰেৰী।
শৰ্মা, হেমন্তকুমাৰ (২০১৩); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* বীণা লাইব্ৰেৰী।
শৰ্মা, হেমন্ত কুমাৰ (২০০০); *অসমীয়া লোকগীতি সঞ্চয়ন;* বীণা লাইব্ৰেৰী।

K ৫.৫ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ : প্ৰয়োজনসাপেক্ষে ব্যাখ্যাত্মক আৰু প্ৰয়োজনসাপেক্ষে তুলনামূলক দৃষ্টিভংগী।

২ নং প্ৰশ্নৰ উত্তৰ : দৰ্শক আৰু নাটৰ মধ্যস্থ ব্যক্তি।লোকসমাজে নিজা অভিজ্ঞতা যেতিয়া স্বতঃস্ফূৰ্ত্তভাৱে ছন্দত প্ৰকাশ কৰে আৰু ৰসোত্তীৰ্ণ হয়, তাকেই লোককবিতা বোলা হয়। এই লোককবিতাত সুৰ আৰোপ কৰিলেই সি ৰূপান্তৰিত হয় লোকগীতলৈ।

M ৫.৬ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১: তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক–

(ক) পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্যৰ কেন্দ্ৰীয় বিষয় কি?

(খ) পুৰণি গ্ৰীক নাটত সূত্ৰধাৰৰ সদৃশ কোন উপাদান দেখা যায়?

(গ) বৈষ্ণৱ সাহিত্যৰ সকলো শাখাই কাক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে?

(ঘ) নাটত সূত্ৰধাৰৰ কথাই আধুনিক নাটৰ কি কাম কৰে?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১: পুৰণি অসমীয়া বৈষ্ণৱ সাহিত্যত কৃষ্ণ-চৰিত্ৰৰ স্থান আলোচনা কৰা।

প্ৰশ্ন ২: বৈষ্ণৱ আন্দোলনত গীতৰ ভূমিকা ব্যাখ্যা কৰা।

প্ৰশ্ন ৩: ভাওনাৰ উদ্দেশ্য আৰু গুৰুত্ব ব্যাখ্যা কৰা।

প্ৰশ্ন ৪: অঙ্কীয়া ভাওনা আৰু আধুনিক নাটৰ মাজত পাৰ্থক্য আলোচনা কৰা।

(গ) ৰচনাধৰ্মী প্ৰশ্ন [৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক]

প্ৰশ্ন ১: প্ৰবন্ধটোৰ আধাৰত ভাওনাৰ "সূত্ৰধাৰ" চৰিত্ৰটোৰ বিষয়ে এটি প্ৰবন্ধ লিখক।

প্ৰশ্ন ২: বৈষ্ণৱ সাহিত্যৰাজিত কৃষ্ণ-চৰিত্ৰ বিকাশ সম্পৰ্কে প্ৰবন্ধটোৰ আধাৰত আলোচনা কৰক।

প্ৰশ্ন ৩: "অংকীয়া ভাওনা" প্ৰবন্ধৰ বিষয়বস্তু সম্পৰ্কে এটি আলোচনা যুগুত কৰক।
